অসমৰ সুৰীয়া জগতৰ বিশিষ্ট শিল্পী দম্পতী

# শ্ৰীযুত দিলীপ শৰ্মা

আৰু

# শ্ৰীমতী সুদক্ষিণা শৰ্মালৈ

নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভা

আৰু যুৱতীৰ্থ, অসম ৰ


# আদৰ সম্বৰ্দ্ধনা



৫ ফেব্ৰুৱাৰী, ২০০৮

নুমলীগড় শোধনাগাৰ নগৰাঞ্চল

# গণশিল্পী দিলীপ শৰ্মা



অসমৰ সুৰীয়া জগতৰ বিশিষ্ট শিল্পী দম্পতী
শ্ৰীযুত দিলীপ শৰ্মা আৰু শ্ৰীমতী সুদক্ষিণা শৰ্মালৈ
নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভা আৰু যুৱতীৰ্থৰ
সাদৰ সম্বৰ্দ্ধনা

শ্ৰদ্ধাভাজনেষু,

আধুনিক অসমীয়া সংস্কৃতিৰ সংগীত মানসক আপোনালোকে আপোনালোকৰ চিন্তা আৰু সাধনাৰে, মননশীল সৃষ্টিৰে বিশেষভাৱে সমৃদ্ধ কৰিছে। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু কলাগুৰু বিষ্ণু ৰাভাই অসমৰ লোকসংগীতৰ ঐতিহ্যক সম্পৰীক্ষাৰ মাজেদি নতুন মৰ্যাদাৰে প্ৰতিষ্ঠা কৰি সৃষ্টি কৰা আধুনিক সংগীতৰ নৱ আদৰ্শৰ ধাৰাই দি আপোনালোকেও নিজস্ব কল্পদৃষ্টিৰে পুৰণি আৰু নতুন পৰম্পৰা আৰু আধুনিকতাৰ সুসমঞ্জস সংযোগ সাধন কৰি অসমীয়া সংগীতৰ ইতিহাসলৈ এটি নতুন মাত্ৰা আনি দিছে।

অসমীয়া সংগীতৰ দিশত আপোনালোকৰ একাগ্ৰ সাধনা ভাৱীকালৰ বাবে এটি প্ৰেৰণাৰ সুঁতি হৈ ৰ'ব।

অসমীয়া সাহিত্য তথা লোক সংস্কৃতিৰ অন্বেষণৰ দিশত সংকল্পবদ্ধ 'নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভা' আৰু 'যুৱতীৰ্থ'ৰ সমূহ সদস্যৰ হৈ আপোনালোকলৈ সশ্ৰদ্ধ সম্বৰ্দ্ধনা জ্ঞাপন কৰিছো।

মঙ্গলময়ে আপোনালোকক সুন্দৰ স্বাস্থ্য আৰু দীৰ্ঘায়ু প্ৰদান কৰক॥

| | | |
|---|---|---|
| | প্ৰণৱ বৰা<br>সভাপতি | অশোক সেনাপতি<br>সভাপতি |
| ৫ ফেব্ৰুৱাৰী, ২০০৮<br>নুমলীগড় শোধনাগাৰ নগৰাঞ্চল | ডাঃ মৃণাল চৌধুৰী<br>কাৰ্যকৰী সভাপতি<br>যুৱতীৰ্থ | উপেন্দ্ৰ নাৰায়ণ শৰ্মা<br>সম্পাদক<br>নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভা |

১৯২৯ চনৰ পৰা প্ৰকাশিত যুগজয়ী আলোচনী "আৱাহন"ৰ প্ৰতিষ্ঠাপক সম্পাদক ডাঃ দীননাথ শৰ্মাৰ সুযোগ্য পুত্ৰ শ্ৰী দিলীপ শৰ্মাৰ জন্ম হয় ১৯২৬ চনৰ ২৫ জানুৱাৰীত পাঠশালাৰ বামুনকুছি গাঁৱত। শৈশৱ, কৈশোৰ আৰু যৌৱনৰ আগডোখৰ পাৰ হৈছিল কলকাতাত। কলকাতাতে সৰুকালৰে পৰা বাংলা ভাষাত শিক্ষা গ্ৰহণ কৰা শ্ৰী শৰ্মাই১৯৪২ চনত মেট্ৰিক পাছ কৰি কলকাতাৰ চেন্ট জেভিয়াৰ্ছ কলেজত বি.এ. লৈকে পঢ়ে। পিতৃ সাহিত্যসেৱী হোৱা হেতুকে তেওঁৰ ঘৰখনতেই লগ পাইছিল বিভিন্নজন ছাত্ৰ আৰু লেখক সকলক। সেই সকলৰ ভিতৰত – লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞিঃ বৰুৱা, ৰমা দাশ, মাধৱ বেজবৰুৱা, ভবানন্দ দত্ত, প্ৰফুল্ল দত্ত গোস্বামী, আনন্দিৰাম দাস হলিৰাম ডেকা, হৰেন্দ্ৰ নাথ শৰ্মা, লক্ষেশ্বৰ শৰ্মা, যতি নাৰায়ণ শৰ্মা, বিৰিঞ্চি কুমাৰ বৰুৱা, ইশ্বৰ প্ৰসাদ চৌধুৰী আদি। স্থানীয় ওস্তাদসকলৰ ওচৰত উচ্চাঙ্গ সংগীতৰ শিক্ষা গ্ৰহণ কৰাৰ ওপৰিও জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভা, কমল নাৰায়ণ চৌধুৰী, পুৰুষোত্তম দাস আদিৰ ওচৰত অসমীয়া গীত-মাত আদি শিকে । ১৯৪২ চনত কমল নাৰায়ণ চৌধুৰী আৰু পুৰুষোত্তম দাসৰ পৰিচালনাত কলকাতাৰ এইচ. এম. ভি. কোম্পানীত অসমীয়া গীত ৰেৰ্কড কৰি পাছলৈ বিষ্ণু ৰাভাৰ গীতকে আদি কৰি একাদিক্ৰমে বহু অসমীয়া গীত ৰেৰ্কড কৰা শ্ৰী শৰ্মাই সেই বছৰতে অল ইণ্ডিয়া ৰেডিঅ' কলকাতাৰ পৰা প্ৰচাৰিত দৈনিক আধাঘন্টীয়া অসমীয়া অনুষ্ঠানৰ প্ৰথমজন অসমীয়া শিল্পী হিচাপে আত্মপ্ৰকাশ কৰে।

১৯৪৯ চনত জ্যোতিপ্ৰসাদৰ "জয়মতী" কথাছবিৰ পুনৰ শব্দ সংযোজন কৰা নতুন সংস্কৰণত সহকাৰী সংগীত পৰিচালক ৰূপে কাম কৰাৰ উপৰিও "লুইতৰে পানী যাবি অ' বৈ", "মোৰে ভাৰতৰে ..." আদি গীতত কণ্ঠাদান কৰে। চল্লিচৰ দশকত "বিপ্লৱী", পঞ্চাশৰ দশকত " নিমিলা অঙ্ক" কথাছবিত "যাৰ জীৱনৰ জেউতি হেৰাল" গীতটিত কণ্ঠদান আৰু ষাঠিৰ দশকত ড° ভূপেন হাজৰিকাৰ "চিক্‌মিক্ বিজুলী" কথাছবিত কণ্ঠাদান আৰু অভিনয় কৰে। গুণসিন্ধু হাজৰিকাৰ পৰিচালিত প্ৰথম অসমীয়া শিশু

কথাছবি "অবুজ বেদনা"ত সংগীত পৰিচালনা তেখেতৰ কৃতিত্বৰ অন্য এক স্বাক্ষৰ।

ছল্লিছৰ দশকত বিষ্ণু ৰাভা ৰচিত 'শঙ্কৰদেৱ' পালা ৰেৰ্কডতো কণ্ঠদান কৰাৰ লগতে সৰ্বেশ্বৰ চক্ৰৱৰ্ত্তীৰ 'বিষ্ণু শক্তি'ত সংগীত পৰিচালনা কৰিছিল।

শ্ৰী শৰ্মাই 'গীত গাঁও একেলগে', 'অৰূপ তোমাৰ বাণী', "যাউতিযুগীয়া', 'চিৰ সুন্দৰ সংস্কৃতি' আদি বিভিন্ন শ্ৰব্য কেছেটত কণ্ঠদান কৰিছে। "অৰূপ তোমাৰ বাণী" কেছেটটি ৰবীন্দ্ৰ সংগীতৰ অসমীয়া ৰূপান্তৰ। কুলদা কুমাৰ ভট্টাচাৰ্যৰ পৰিচালনাত প্ৰকাশ পোৱা 'কাৰেঙৰ লিগিৰী' নাটকৰ শ্ৰব্য কেছেটত তেখেতে সংগীত পৰিচালনা কৰিছে। শেহতীয়াকৈ 'জোনাকী বাট' শীৰ্ষক জ্যোতি সংগীতৰ এটি কেছেটো তেখেতে পৰিচালনা কৰাৰ উপৰিও কণ্ঠদানো কৰিছে।

শ্ৰীশৰ্মাই ১৯৫৪ চনত স্বৰ্গীয় নীলকান্ত হাজৰিকাৰ কন্যা কুইনী হাজৰিকা ( সুদক্ষিণা)ৰ স'তে বিবাহ পাশত আৱদ্ধ হোৱাৰ পিছৰে পৰা আজিলৈকে যুগ্মভাৱে অসম আৰু ভাৰতৰ বিভিন্ন প্ৰান্তত গীত পৰিবেশন কৰি আহিছে।

১৯৫৩ আৰু ১৯৫৫ চনত ভাৰতৰ সাংস্কৃতিক প্ৰতিনিধিৰ দলত অসমৰ হৈ প্ৰতিনিধিত্ব কৰি চীন আৰু পোলেণ্ড দেশত গীত-মাত পৰিবেশন কৰাৰ উপৰিও চীন, পোলেণ্ড আৰু ৰাছিয়া আদি দেশৰ ৰেডিঅ'ত অসমীয়া গীত-মাত পৰিবেশন কৰিছিল। ২০০০ চনত অসম সাহিত্য সভাৰ ইংলেণ্ড শাখাৰ আমন্ত্ৰণ ক্ৰমে শ্ৰীশ্ৰী শঙ্কৰদেৱৰ জন্ম জয়ন্তীত পত্নী সুদক্ষিণাৰ সৈতে গীত পৰিবেশন কৰে।

১৯৫২ চনত বিশিষ্ট সংগীতদ্বয় স্বৰ্গীয় বীৰেণ ফুকন আৰু পুৰুষোত্তম দাসৰ লগত মিলি "ত্ৰিবেণী" নামৰ অসমীয়া গীতৰ স্বৰলিপি প্ৰকাশ কৰা শ্ৰী শৰ্মাই অসম চৰকাৰৰ সাংস্কৃতিক দপ্তৰৰ অধীনত জ্যোতি সংগীতৰ বিশেষজ্ঞ কমিটিৰ এজন সদস্য হিচাপে 'সুৰ জেউতি' শীৰ্ষক জ্যোতিপ্ৰসাদৰ গীতৰ স্বৰলিপি ( ইতিমধ্যে তিনিটা খণ্ড প্ৰকাশিত হৈছে) প্ৰস্তুতকৰণত সহায় কৰিছে।


১৯৭৮ চনত পিতৃৰ বিয়োগৰ পিছত ১৯৮৫ চনৰ পৰা "আৱাহন" আলোচনীৰ সম্পাদনা তথা প্ৰকাশনৰ দায়িত্ব গ্ৰহণ কৰে।

১৯৯৬ চনত অসমৰ বাতৰি কাকতৰ দেৰশ বছৰীয়া জয়ন্তীত তেখেতে সাংবাদিক হিচাপে সম্বৰ্দ্ধনা লাভ কৰে। মাজুলীৰ আউনিআটী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীপীতাম্বৰ দেৱগোস্বামীয়ে আউনিআটী সত্ৰৰ ধৰ্মীয় গীতসমূহ আৰু বৰগীতৰ স্বৰলিপি প্ৰস্তুতকৰণৰ বাবেও তেখেতক দায়িত্ব অৰ্পন কৰিছে।

সংগীত জগতলৈ আগবঢ়োৱা অৱদানৰ বাবে ১৯৯৪ চনত তেখেতখ কমল নাৰায়ণ চৌধুৰী বঁটাৰে সন্মানিত কৰা হয়। অসমৰ সংগীত জগতলৈ আগবঢ়োৱা বিশিষ্ট অৰিহণাৰ বাবে অসম চৰকাৰৰ দ্বাৰা ২০০১ চনত শিল্পী বঁটাৰে সন্মানিত হোৱা শ্ৰী শৰ্মাই ২০০২ চনত জ্যোতি সংগীত চৰ্চাৰ বাবে আগবঢ়োৱা অৱদানৰ বাবে পত্নী শ্ৰীমতী সুদক্ষিণা শৰ্মাৰ সৈতে সংগীত নাটক অকাডেমি বঁটা লাভ কৰে।

## বিশিষ্টা কণ্ঠশিল্পী সুদক্ষিণা শৰ্মা

১৯৩৪ চনত গুৱাহাটীত জন্মগ্ৰহণ কৰা শ্ৰীমতী সুদক্ষিণা শৰ্মাই ১৯৪৩ চনৰ পৰাই সুমধুৰ সুললিত আৰু স্বকীয় বৈশিষ্টপূৰ্ণ কণ্ঠেৰে অসমৰ সংগীতপ্ৰেমী শ্ৰোতাক মুগ্ধ কৰি ৰাখিছে। সংগীত জগতৰ এইগৰাকী মূৰ্ত্তমান কণ্ঠশিল্পীয়ে বাল্যকালতে লাভ কৰিছিল ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ, কলাগুৰু বিষ্ণু ৰাভা আৰু নটসূৰ্য ফণী শৰ্মাৰ দৰে যুগজয়ী শিল্পীৰ সান্নিধ্য। ১৯৪৩ চনৰে পৰা বিষ্ণু ৰাভাৰ গীতকে আদি



অসমৰ সুৰীয়া জগতৰ বিশিষ্ট শিল্পী দম্পতী
শ্ৰীযুত দিলীপ শৰ্মা আৰু শ্ৰীমতী সুদক্ষিণা শৰ্মালৈ
নুমলীগড় শোধানাগাৰ শাখা সাহিত্য সভা আৰু যুৱতীৰ্থৰ
সাদৰ সম্বৰ্দ্ধনা

শ্ৰদ্ধাভাজনেষু,

আধুনিক অসমীয়া সংস্কৃতিৰ সংগীত মানসক আপোনালোকে আপোনালোকৰ চিন্তা আৰু সাধনাৰে, মননশীল সৃষ্টিৰে বিশেষভাৱে সমৃদ্ধ কৰিছে। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু কলাগুৰু বিষ্ণু ৰাভাই অসমৰ লোকসংগীতৰ ঐতিহ্যক সম্পৰীক্ষাৰ মাজেদি নতুন মৰ্যাদাৰে প্ৰতিষ্ঠা কৰি সৃষ্টি কৰা আধুনিক সংগীতৰ নৱ আদৰ্শৰ ধাৰাই দি আপোনালোকেও নিজস্ব কল্পদৃষ্টিৰে পুৰণি আৰু নতুন পৰম্পৰা আৰু আধুনিকতাৰ সুসমঞ্জস সংযোগ সাধন কৰি অসমীয়া সংগীতৰ ইতিহাসলৈ এটি নতুন মাত্ৰা আনি দিছে।

অসমীয়া সংগীতৰ দিশত আপোনালোকৰ একাগ্ৰ সাধনা ভাৱীকালৰ বাবে এটি প্ৰেৰণাৰ সুঁতি হৈ ৰ'ব।

অসমীয়া সাহিত্য তথা লোক সংস্কৃতিৰ অন্বেষণৰ দিশত সংকল্পবদ্ধ 'নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভা' আৰু 'যুৱতীৰ্থ'ৰ সমূহ সদস্যৰ হৈ আপোনালোকলৈ সশ্ৰদ্ধ সম্বৰ্দ্ধনা জ্ঞাপন কৰিছো।

মঙ্গলময়ে আপোনালোকক সুন্দৰ স্বাস্থ্য আৰু দীৰ্ঘায়ু প্ৰদান কৰক॥

| | |
|---|---|
| প্ৰণব বৰা<br>সভাপতি | অশোক সেনাপতি<br>সভাপতি |
| ডাঃ মৃণাল চৌধুৰী<br>কাৰ্যকৰী সভাপতি<br>যুৱতীৰ্থ | উপেন্দ্ৰ নাৰায়ণ শৰ্মা<br>সম্পাদক<br>নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভা |

৫ ফেব্ৰুৱাৰী, ২০০৮
নুমলীগড় শোধনাগাৰ নগৰাঞ্চল

# গণশিল্পী দিলীপ শৰ্মা

১৯২৯ চনৰ পৰা প্ৰকাশিত যুগজয়ী আলোচনী "আৱাহন"ৰ প্ৰতিষ্ঠাপক সম্পাদক ডাঃ দীননাথ শৰ্মাৰ সুযোগ্য পুত্ৰ শ্ৰী দিলীপ শৰ্মাৰ জন্ম হয় ১৯২৬ চনৰ ২৫ জানুৱাৰীত পাঠশালাৰ বামুনকুছি গাঁৱত। শৈশৱ, কৈশোৰ আৰু যৌৱনৰ আগডোখৰ পাৰ হৈছিল কলকাতাত। কলকাতাতে সৰুকালৰে পৰা বাংলা ভাষাত শিক্ষা গ্ৰহণ কৰা শ্ৰী শৰ্মাই১৯৪২ চনত মেট্ৰিক পাছ কৰি কলকাতাৰ চেন্ট জেভিয়াৰ্ছ কলেজত বি.এ. লৈকে পঢ়ে। পিতৃ সাহিত্যসেৱী হোৱা হেতুকে তেওঁৰ ঘৰখনতেই লগ পাইছিল বিভিন্নজন ছাত্ৰ আৰু লেখক সকলক। সেই সকলৰ ভিতৰত — লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞিও বৰুৱা, ৰমা দাশ, মাধৱ বেজবৰুৱা, ভবানন্দ দত্ত, প্ৰফুল্ল দত্ত গোস্বামী, আনন্দিৰাম দাস হলিৰাম ডেকা, হৰেন্দ্ৰ নাথ শৰ্মা, লক্ষেশ্বৰ শৰ্মা, যতি নাৰায়ণ শৰ্মা, বিৰিঞ্চি কুমাৰ বৰুৱা, ইশ্বৰ প্ৰসাদ চৌধুৰী আদি। স্থানীয় ওস্তাদসকলৰ ওচৰত উচ্চাঙ্গ সংগীতৰ শিক্ষা গ্ৰহণ কৰাৰ ওপৰিও জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভা, কমল নাৰায়ণ চৌধুৰী, পুৰুষোত্তম দাস আদিৰ ওচৰত অসমীয়া গীত-মাত আদি শিকে । ১৯৪২ চনত কমল নাৰায়ণ চৌধুৰী আৰু পুৰুষোত্তম দাসৰ পৰিচালনাত কলকাতাৰ এইচ. এম. ভি. কোম্পানীত অসমীয়া গীত ৰেৰ্কড কৰি পাছলৈ বিষ্ণু ৰাভাৰ গীতকে আদি কৰি একাদিক্ৰমে বহু অসমীয়া গীত ৰেৰ্কড কৰা শ্ৰী শৰ্মাই সেই বছৰতে অল ইণ্ডিয়া ৰেডিঅ' কলকাতাৰ পৰা প্ৰচাৰিত দৈনিক আধাঘন্টীয়া অসমীয়া অনুষ্ঠানৰ প্ৰথমজন অসমীয়া শিল্পী হিচাপে আত্মপ্ৰকাশ কৰে।

১৯৪৯ চনত জ্যোতিপ্ৰসাদৰ "জয়মতী" কথাছবিৰ পুনৰ শব্দ সংযোজন কৰা নতুন সংস্কৰণত সহকাৰী সংগীত পৰিচালক ৰূপে কাম কৰাৰ উপৰিও "লুইতৰে পানী যাবি অ' বৈ", "মোৰে ভাৰতৰে ..." আদি গীতত কন্ঠাদান কৰে। চল্লিচৰ দশকত "বিপ্লৱী", পঞ্চাশৰ দশকত " নিমিলা অঙ্ক" কথাছবিত "যাৰ জীৱনৰ জেউতি হেৰাল" গীতটিত কন্ঠদান আৰু ষাঠিৰ দশকত ড° ভূপেন হাজৰিকাৰ "চিক্‌মিক্ বিজুলী" কথাছবিত কন্ঠাদান আৰু অভিনয় কৰে। গুণসিন্ধু হাজৰিকাৰ পৰিচালিত প্ৰথম অসমীয়া শিশু